# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 16-05-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। দেশত পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

২। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, পাকিস্তান অধিকৃত কাশ্মীৰ ভাৰতৰ অংশ আৰু ইয়াৰ ওপৰত দেশৰ অধিকাৰ আছে।

৩। ভাৰত আৰু ৰাছিয়াই কালি নতুন দিল্লীত আফগানিস্তান সন্দৰ্ভত আলোচনাত মিলিত হয়।

৪। অলিম্পিকত সোণৰ পদক বিজেতা নীৰজ চোপ্ৰাই ভূৱনেশ্বৰত অনুষ্ঠিত ফেডাৰেচন কাপ প্ৰতিযোগিতাৰ পুৰুষৰ জেভলিন থ্ৰোত সোণৰ পদক অৰ্জন কৰিছে।

*আৰু*

৫। পাঞ্জাব কিংছে আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছক ৫ উইকেটত পৰাস্ত কৰে।

ooooo

দেশত পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। পঞ্চম পৰ্যায়ত ২০ মে'ত ৪৯টা লোকসভা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। ২৫ মে'ত ষষ্ঠ পৰ্যায়ত ৫৭টা আৰু ১ জুনত সপ্তম পৰ্যায়ত ৫৭টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। বিভিন্ন দলৰ তাৰকা প্ৰচাৰকসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি পৰি লাগিছে। বিজেপিৰ জ্যেষ্ঠ নেতা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আৰু কাইলৈ উত্তৰ প্ৰদেশত প্ৰচাৰ চলাব। প্ৰধানমন্ত্ৰীয়ে এই দুদিনত ১১টা লোকসভা সমষ্টি সামৰি ৭ খন নিৰ্বাচনী সভাত ভাষণ দিব। শ্ৰীমোদীয়ে আজি জ'নপুৰ, ভাদহি, প্ৰতাপগড় আৰু আজমগড়ত জনসমাৰেশত অংশ ল'ব। তেওঁ লক্ষ্ণৌৰ ৰাজভৱনত নিশাটো কটাব আৰু কাইলৈ বাৰাবাংকী, ফতেহপুৰ আৰু হামিহপুৰ সমষ্টিত তিনিখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। আনহাতে বিজেপিৰ জ্যেষ্ঠ নেতা যোগী আদিত্য নাথে আজি ফতেহপুৰত দলৰ হকে প্ৰচাৰ চলাব। সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱ আৰু বহুজন সমাজ পাৰ্টীৰ মুৰব্বী মায়াৱতীয়েও ফতেহপুৰত প্ৰচাৰ অভিযানত ভাগ ল'ব। আনহাতে কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ৱাদ্ৰাই ভাতৃ ৰাহুল গান্ধীৰ হকে ৰায়বৰেলী সমষ্টিত প্ৰচাৰ চলাব। কৰ্ণাটকৰ উপ মুখ্যমন্ত্ৰী তথা কংগ্ৰেছৰ জ্যেষ্ঠ নেতা দি কে শিৱকুমাৰে আজি লক্ষ্ণৌত এখন সংবাদমেল সম্বোধন কৰিব।

ইপিনে, ওড়িশাত লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ তুংগত উঠিছে। বিজেপি, কংগ্ৰেছ আৰু বিজেডিৰ শীৰ্ষ নেতাসকলে পৰৱৰ্তী তিনিটা পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে ৰাজ্যখনৰ ঠায়ে ঠায়ে প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে কালি বিয়লি অস্কা সংসদীয় সমষ্টিৰ অধীনৰ চোৰাদাত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। পাছত শ্ৰীশ্বাহে কটকত এটা ৰোড শ্ব'ত ভাগ লয়। বিজেপিৰ

ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই বিয়লিৰ ভাগত দলৰ মহিলা কৰ্মীসকলৰ বৈঠকত ভাষণ দিয়ে। নেতাগৰাকীয়ে আজি সুন্দৰগড় আৰু বৰগড় সংসদীয় সমষ্টিত দুখন জনসভাত ভাগ লোৱাৰ লগতে ভুৱনেশ্বৰত এটা ৰোড শ্ব'ত অংশ ল'ব।

আনহাতে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে কালি বলাংগিৰত মটৰ চাইকেল সমদলত যোগদান কৰে আৰু এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। ওড়িশাৰ মুখ্যমন্ত্ৰী তথা বিজেডিৰ মুৰব্বী নবীন পাটনায়কে কালি ৰাজ্যখনৰ পশ্চিমপ্ৰান্তৰ সুন্দৰ সংসদীয় সমষ্টিৰ অধীনৰ ৰুৰকেল্লা আৰু সম্বলপুৰ লোকসভা সমষ্টিৰ অধীনৰ দেওগড়ত কেইবাখনো নিৰ্বাচনী সভা সম্বোধন কৰে।

দেশৰ অন্য অংশৰ লগতে মহাৰাষ্ট্ৰতো প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। শিৱসেনাৰ সভাপতি উদ্ধৱ থাকৰেই কালি নাচিকত এখন নিৰ্বাচনী সভাত অংশ লয় কয় যে, বালাচাহেবে তেওঁক শিৱসেনাৰ দায়িত্ব অৰ্পন কৰি থৈ গৈছে। তেওঁ কয় যে, মহাৰাষ্ট্ৰৰ জনসাধাৰণে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক বিশ্বাস কৰিছিল যদিও তেওঁ অমিত শ্বাহৰ সৈতে লগ হৈ ৰাজ্যখনৰ জনসাধাৰণক প্ৰৱঞ্চনা কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লৰেন্স ৱঙক ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে ভাৰত-ছিংগাপুৰ কৌশলগত সহযোগিতাক অধিক আগবঢ়াই নিয়াৰ বাবে শ্ৰীৱঙৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰিবলৈ আগ্ৰহী বুলি প্ৰকাশ কৰে।

ooooo

উপ-ৰাষ্ট্ৰপতি শ্ৰীজগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা গুজৰাটৰ প্ৰাক্তন ৰাজ্যপাল ড° কমলা বেনিৱালৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীধনখড়ে ড° বেনিৱালক এগৰাকী দক্ষ প্ৰশাসক আৰু মহিলা সবলীকৰণৰ উদাহৰণ বুলি অভিহিত কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা শোকবাৰ্তাত কয় যে ৰাজস্থানৰ ৰাজনীতিত তেওঁৰ উল্লেখযোগ্য বৰঙণি আছে।

ড° বেনিৱালৰ মৃত্যুত ৰাজস্থানৰ ৰাজ্যপাল কলৰাজ মিশ্ৰ, মুখ্যমন্ত্ৰী ভজনলাল শৰ্মা আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী অশোক গেহলটকে ধৰি অন্যান্য নেতাসকলেও শোক প্ৰকাশ কৰিছে।

প্ৰয়াত বেনিৱালে গুজৰাটৰ উপৰি ত্ৰিপুৰা আৰু মিজোৰামৰ ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। সাতবাৰকৈ বিধায়ক হিচাপে নিৰ্বাচিত ড° বেনিৱালে ৰাজস্থানৰ উপ-মুখ্যমন্ত্ৰীৰ দায়িত্বও গ্ৰহণ কৰিছিল।

ooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, পাকিস্তান অধিকৃত কাশ্মীৰ ভাৰতৰ অংশ আৰু ইয়াৰ ওপৰত দেশৰ অধিকাৰ আছে। এটা বাতৰি যোগান প্ৰতিষ্ঠানক দিয়া সাক্ষাৎকাৰত শ্ৰীশ্বাহে কালি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, পাকিস্তান অধিকৃত কাশ্মীৰ ভাৰতৰ অংশ কিয়নো সমগ্ৰ কাশ্মীৰক ভাৰতৰ সৈতে অন্তৰ্ভুক্ত কৰা হৈছিল। পাকিস্তান অধিকৃত কাশ্মীৰত সূত্ৰপাত হোৱা প্ৰতিবাদ সন্দৰ্ভত শ্ৰীশ্বাহে কয় যে কু-শাসনৰ বাবেই এনে হৈছে। আম আদমী পাৰ্টীৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে

দলে পৰ্যাপ্ত ভোট লাভ কৰিলে তেওঁ কাৰাগাৰলৈ যোৱাৰ আৱশ্যকতা নাথাকে বুলি কৰা দাবী সম্পৰ্কীয় এটা প্ৰশ্নৰ উত্তৰত গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, তেওঁ এয়া সৰ্বোচ্চ ন্যায়ালয়ৰ স্পষ্ট অৱমাননা বুলি বিশ্বাস কৰে।

ooooo

ভাৰত আৰু ৰাছিয়া কালি নতুন দিল্লীত আফগানিস্তান সন্দৰ্ভত দ্বিপাক্ষিক আলোচনাত মিলিত হয়। বিদেশ মন্ত্ৰালয়ৰ তথ্য অনুসৰি আফগানিস্তানত থকা ৰাছিয়াৰ ৰাষ্ট্ৰপতিৰ বিশেষ কটকী জামিৰ কাবুলভ আৰু ভাৰতৰ বিদেশ মন্ত্ৰালয়ৰ পাকিস্তান, আফগানিস্তান আৰু ইৰাণ বিভাগৰ যুটীয়া সচিব জে পি সিঙে আফগানিস্তানৰ সাম্প্ৰতিক পৰিস্থিতিৰ বিষয়ে আলোচনা কৰে। আলোচনাকালত উভয় পক্ষই আফগানিস্তানৰ জনসাধাৰণৰ কল্যাণৰ বাবে উন্নয়নমূলক সাহায্য প্ৰদানৰ প্ৰয়োজনত গুৰুত্ব আৰোপ কৰে।

ooooo

নতুন দিল্লীত কালিৰে পৰা দ্য ইণ্ডিয়া স্কিলছ্ ২০২৪ শীৰ্ষক ভাৰতৰ সৰ্ববৃহৎ দক্ষতা প্ৰতিযোগিতা আৰম্ভ হৈছে। প্ৰতিযোগিতাৰ চাৰিটা দিনত ৩০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯০০ৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে পৰম্পৰাগত শিল্পকৰ্মৰপৰা আৰম্ভ কৰি শেহতীয়া প্ৰযুক্তিলৈকে ৬১টা ভিন্ন ক্ষেত্ৰত দক্ষতা প্ৰদৰ্শন কৰিব। উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি দক্ষতা বিকাশ মন্ত্ৰালয়ৰ সচিব অতুল কুমাৰ তিৱাৰীয়ে এই প্ৰতিযোগিতাক যুৱক-যুৱতী তথা উদ্যোগ উভয়ৰে বাবে বুশেষ সুযোগ বুলি অভিহিত কৰে। এই অনুষ্ঠানৰ লক্ষ্য হ'ল ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে দক্ষতা বিকাশৰ তাৎপৰ্যত গুৰুত্ব আৰোপ কৰা।

ইণ্ডিয়া স্কিলছৰ বিজয়ীসকলে উদ্যোগ জগতৰ শ্ৰেষ্ঠ প্ৰশিক্ষকসকলৰ সহায়ত অহা ছেপ্টেম্বৰত ফ্ৰান্সৰ লিয়নত হ'বলগীয়া ৱৰ্ল্ড স্কিলছ প্ৰতিযোগিতাৰ বাবে প্ৰস্তুতি চলাব। ৱৰ্ল্ড স্কিলছত ৭০খনতকৈও অধিক দেশৰ ডেৰ হাজাৰ প্ৰতিযোগীয়ে ভাগ ল'ব।

ooooo

এখন চৰকাৰী বৈঠকত ভাগ লোৱাৰ পাছতে কালি গুলীবিদ্ধ হোৱা শ্লোভাকিয়াৰ প্ৰধানমন্ত্ৰী ৰবাৰ্ট ফিকোৰ অৱস্থা এতিয়াও সংকটজনক হৈ আছে । দেশখনৰ মন্ত্ৰী মাটুছ সুতাজ এষ্টকে এই আক্ৰমণক দেশখনৰ ওপৰত হোৱা আক্ৰমণ বুলি অভিহিত কৰে। আক্ৰমণকাৰীয়ে শ্ৰীফিকোক লক্ষ্য কৰি পাঁচবাৰ গুলী চলোৱা বুলি তেওঁ জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে এই ঘটনাক গণতন্ত্ৰৰ ওপৰত হোৱা আক্ৰমণ হিচাপে উল্লেখ কৰি দেশখনৰ উপ-প্ৰধানমন্ত্ৰীক আজি নিৰাপত্তা পৰিষদৰ বৈঠকৰ জৰিয়তে পৰিস্থিতিৰ মূল্যায়নৰ বাবে আহ্বান জনাব বুলি প্ৰকাশ কৰে।

ooooo

অলিম্পিকত সোণৰ পদক বিজেতা নীৰজ চোপ্ৰাই কালি ভূৱনেশ্বৰত অনুষ্ঠিত ফেডাৰেচন কাপ প্ৰতিযোগিতাৰ পুৰুষৰ জেভলিন থ্ৰোত সোণৰ পদক অৰ্জন কৰে। ২৬ বছৰীয়া চোপ্ৰাই প্ৰতিযোগিতাৰ প্ৰাৰম্ভিক ৰাউণ্ডত সংঘৰ্ষ কৰিবলগীয়া হয় আৰু প্ৰথম তিনিটা ৰাউণ্ডৰ অন্তত দ্বিতীয় স্থানত থাকে। খেলুৱৈগৰাকীয়ে চতুৰ্থ ৰাউণ্ডত ২৮ দশমিক ২-৭ মিটাৰলৈ জেভলিন থ্ৰো কৰি অগ্ৰগতি লাভ কৰে।

ooooo

পাঞ্জাব কিংছে যোৱানিশা গুৱাহাটীত অনুষ্ঠিত আই পি এল ক্রিকেট প্রতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছক ৫ উইকেটত  পৰাস্ত কৰে। খেলখনত ৰাজস্থান ৰয়েলছে টছত জিকি প্রথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নির্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৪৪ ৰান কৰে। ৰাজস্থানৰ হৈ ৰিয়ান পৰাগে ৩৪টা বলত ৪৮ ৰান কৰে। পাঞ্জাব কিংছে আৰম্ভণিতে ৰিলে ৰোচ'ৰ আৰু শশাংক সিঙৰ উইকেট হেৰুৱাই বিপর্যয়ৰ সন্মুখীন হয় যদিও ৪১টা বলত ৬৩ ৰান কৰি অপৰাজিত হৈ ৰোৱা ছেম কুৰেন আৰু জিতেশ শর্মাৰ যুটীয়ে আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে দলটোৱে সহজে জয় লাভ কৰে। পাঞ্জাব কিংছে ১৮ অভাৰ আৰু ৫টা বলত ৫টা উইকেট হেৰুৱাই ১৪৫ ৰান কৰে।

ৰাজস্থানৰ হৈ অৱেশ খান আৰু য়ুজবেন্দ্ৰ চহলে দুটাকৈ উইকেট দখল কৰে।

ৰাজস্থান ৰয়েলছে কালিৰ ফলাফলৰ পাছত একেৰাহে ৪ খন খেলত পৰাজয় বৰণ কৰিছে যদিও দলটো ১৬ পইণ্টেৰে প্রতিযোগিতাৰ পইণ্ট তালিকাত দ্বিতীয় স্থানত আছে। আনহাতে পাঞ্জাব কিংছ পইণ্ট তালিকাৰ দশম স্থানৰ পৰা নৱম স্থানলৈ উন্নীত হৈছে।

প্রতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্রীয় ক্রিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। হায়দৰাবাদে বর্তমানলৈকে ১৪ পইণ্ট অর্জন কৰি প্রতিযোগিতাৰ পইণ্ট তালিকাৰ চতুর্থ স্থানত আছে। শুভমন গিল নেতৃত্বাধীন গুজৰাট টাইটানছ ১১ পইণ্টেৰে অষ্টম স্থানত আছে। উল্লেখযোগ্য যে, কলকাতা নাইট ৰাইডাৰ্চ ১৯ পইণ্টেৰে পইণ্ট তালিকাৰ শীর্ষত আছে।

00000

**সমাপ্ত**